# তৃতীয় অধ্যায়

# ৩.০০ নাৰী-ভাষাৰ তাত্ত্বিক আধাৰ

ভাষা ব্যৱহাৰৰ গুণগত বিচাৰত নাৰী-ভাষা পুৰুষৰ ভাষাতকৈ বেছি সৃজনীমূলক। ৰবিন লেকফে মন কৰিছিল যে মহিলাসকলে প্ৰায় দ্বিভাষিকৰ দৰে ভাষা ব্যৱহাৰ কৰে। কৰ্মক্ষেত্ৰত সাধাৰণতে মহিলাৰ ভাষা নিৰপেক্ষ হোৱাৰ বিপৰীতে ঘৰুৱা পৰিবেশত ভাষা বেছি ব্যক্তিগত হৈ পৰে—"She may never really be master of either language, though her command of both is adequate enough for most purposes, she may never feel really comfortable using either, and never be certain that she is using the right one in the right place to the right person." (Lakoff 7)

সাহিত্যৰ বিভিন্ন ভাগবোৰ যেনে—কবিতা, নাটক, গল্প, উপন্যাসত নাৰী-ভাষাৰ স্পষ্ট স্বাক্ষৰ নাথাকিলেও কিছু কিছু শব্দ, বাক্যৰীতি বা প্ৰবাদ প্ৰবচনৰ প্ৰয়োগে নাৰীৰ নিজস্ব চিন্তা, ভাষিক স্বকীয়তা বা চিন্তা-মানসিকতাৰ প্ৰতিফলন ঘটায়।

নাৰীয়ে পুৰুষতকৈ পৃথকভাৱে মনৰ ভাৱ প্ৰকাশ কৰাৰ কিছুমান সম্ভাব্য কাৰণ হ'ল—

ক) জন্মগত / সহজাত ঃ— মহিলা আৰু পুৰুষৰ প্ৰজনন প্ৰক্ৰিয়া আৰু শাৰীৰিক গঠন পৃথক হোৱাৰ বাবে স্বাভাৱিকতে দুয়োৰে আত্মপ্ৰকাশৰ ধৰণো পৃথক। নাৰী আৰু পুৰুষৰ কণ্ঠস্বৰো প্ৰাকৃতিকভাৱেই পৃথক। কেৱল মাত্ৰ কথা-বাৰ্তাতেই নহয়, মহিলাসকলৰ আচাৰ-আচৰণ, শাৰীৰিক মুদ্ৰা আদিও স্বাভাৱিকতেই পুৰুষতকৈ পৃথক।

খ) ব্যক্তিত্বৰ পাৰ্থক্য ঃ শাৰীৰিক আন্তঃগাঁথনিৰ পাৰ্থক্যৰ লগতে হ'ৰমনৰ পাৰ্থক্যৰ বাবেও নাৰী আৰু পুৰুষৰ ব্যক্তিত্বৰ পাৰ্থক্য থাকে। সমাজৰ আদৰ্শ আৰু ধাৰণাৰ প্ৰভাৱত এই পাৰ্থক্য বৃদ্ধি হয়। কিয়নো, কেৱল শাৰীৰিক পাৰ্থক্যৰ বাবেই ব্যক্তিত্বৰ পাৰ্থক্য অহাটো সম্ভৱ নহয়।

গ) সাংস্কৃতিক বিস্তাৰ ঃ প্ৰত্যেক জাতিৰে নিজস্ব সংস্কৃতি থাকে। সংস্কৃতিয়ে জাতি এটাৰ মানসিকতা গঢ় দিয়ে। ই নাৰী পুৰুষৰ ভাৱ-ভংগী, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদিৰ বিষয়ে নিৰ্দিষ্ট

কিছুমান ধাৰণা পোষণ কৰে আৰু সমাজো সেই ধাৰণা লৈ আগবাঢ়ে। এনে ধাৰণাসমূহ সততে মহিলা আৰু পুৰুষৰ বাবে পৃথক হয়। যাৰ ফলত উভয় লিংগৰ মাজত কিছুমান পাৰ্থক্যৰ সৃষ্টি হয়। ভাৰতীয় সমাজত সাধাৰণতে মহিলাসকলক বিভিন্ন নীতি-নিয়মৰ মাজত ৰখা হয়। ই ভাৰতৰ সংস্কৃতি। ইয়াৰ প্ৰভাৱ পোণপটীয়াভাৱে মহিলাসকলৰ ভাষাতো পৰে। সেয়ে ভাৰতীয় মহিলাসকলে সাধাৰণতে আঁৰ-বেৰ ৰাখি ভাষাৰ ব্যৱহাৰ কৰা দেখা যায়।

ঘ) শ্ৰমবিভাগ ঃ মহিলা আৰু পুৰুষৰ কৰ্মক্ষেত্ৰ বেলেগ বেলেগ হ'লে কৰ্মক্ষেত্ৰৰ সৈতে জড়িত শব্দবোৰো বেলেগ বেলেগ হয়। যদিও বৰ্তমান সময়ত নাৰী আৰু পুৰুষৰ বহুবোৰ পেচা একে হয় তথাপি কিছুমান কাম বৰ্তমানেও আমাৰ দেশত মহিলাইহে কৰে। যেনে—পাকঘৰৰ কাম, নাৰ্ছিং, প্ৰাইভেট ছেক্ৰেটেৰী আদি। বৰ্তমানেও আমাৰ দেশত মহিলা কাঠমিস্ত্ৰী বা মহিলা ৰাজমিস্ত্ৰী দেখা নাযায়। ল'ৰা-ছোৱালীৰ প্ৰতিপালো পৰম্পৰাগতভাৱে মহিলায়ে কৰি আহিছে।

ঙ) পুৰুষৰ প্ৰাধান্য ঃ আমাৰ সমাজত পুৰুষ আৰু নাৰীৰ প্ৰাধান্য সমান নহয়। সাধাৰণতে পৰিয়ালৰ যিকোনো জটিল সমস্যাৰ পৰা মহিলাক আঁতৰাই ৰখা হয়। যেনেদৰে অধিক ক্ষমতাশালী আৰু সাধাৰণ ব্যক্তি এজনৰ কথোপকথনত ক্ষমতাশালীজনে অধিক গুৰুত্ব পায় তেনেদৰে পুৰুষ আৰু নাৰীৰ কথা-বতৰাতো পুৰুষে অধিক গুৰুত্ব পায়। ইয়াৰ ফলত মহিলা আৰু পুৰুষৰ ভাষাভিত্তিক পাৰ্থক্য বৃদ্ধি পায়।

এনে কাৰকসমূহৰ পৰিণতিতে মহিলাৰ ভাষা ঘৰুৱা আৰু সৌজন্যমূলক—এই দুইধৰণে গঢ় লৈছে।

**৩.০১ নাৰী-ভাষা অধ্যয়নৰ ইতিহাস ঃ**

'নাৰী-ভাষা' বা 'women's dialect' ৰ বিষয়ে তাত্ত্বিক গুৰুত্ব তথা প্ৰণালীবদ্ধ আলোচনা আগবঢ়ায় অটো য়েসপাৰসনে। তেখেতৰ 'language : Its Nature, devolopment, and origine' নামৰ গ্ৰন্থখনৰ দ্বাদশ পৰিচ্ছেদ 'The Women's' ত নাৰী-ভাষাৰ ইতিহাসৰ বিষয়ে ক'বলৈ গৈ তেওঁ কৈছে যে, 'Dominican Breton' এ পোনপ্ৰথমে ১৬৬৪ চনত তেওঁৰ 'Dictionnaire Carabe-francais' নামৰ গ্ৰন্থত নাৰী-ভাষাৰ অস্তিত্ব স্বীকাৰ কৰিছিল। মহিলাৰ অনেক এনে স্বকীয় শব্দ আছে যিবোৰ পুৰুষে ব্যৱহাৰ নকৰে, বা কৰিলে হাঁহিয়াতৰ পাত্ৰ হ'ব লগা হয়। এনেদৰেই কথোপকথনৰ সময়ত মহিলাৰ স্বতন্ত্ৰ ভাষা গঢ়ি উঠে।

য়েসপাৰছনে মূলতঃ নাৰী-ভাষাৰ নিষিদ্ধ শব্দ বা 'Taboo' ওপৰত গুৰুত্ব দিছিল—'With the Zulus a wife is not allowed to mention the name of her father-in-law and of his brother, and if a similar word or even a similar syllable accurs in the ordinary language, shee must subsitute something else of similar meaning.' (য়েসপাৰছন 239)

১৯৫৮ চনত ফিছাৰে (Fisher) এ বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ ওপৰত গৱেষণা (৪০ জন ছাত্র-ছাত্রীৰ সাক্ষাৎকাৰ গ্রহণ কৰি) কৰি সিদ্ধান্তত উপনীত হয় যে মহিলাতকৈ পুৰুষে ভাষাৰ মান্যৰূপ বেছিকৈ ব্যৱহাৰ কৰে। ফিছাৰৰ উপৰিও অনেক সমাজভাষাবিজ্ঞানীয়ে পৰৱৰ্তী সময়ত এই বিষয়ে অনুসন্ধান অব্যাহত ৰাখে। তাৰ ভিতৰত লেবভ, ট্রাডজিল, ৰবিন লেকফ্ আদি অন্যতম।

'Robin Tolmach Lakoff' এ 'Language and women's place' (1975) নামৰ গ্রন্থখনৰ জৰিয়তে নাৰী-ভাষাৰ বিভিন্ন দিশ চালি-জাৰি চাই নাৰী-ভাষাক সমাজভাষাবিজ্ঞান, শিক্ষা, মনোবিজ্ঞান, সমাজবিজ্ঞান আদি বিভিন্ন ক্ষেত্রৰ সৈতে যোগাযোগ চিহ্নিত কৰি দেখুৱায়। লেকফ্ৰ এই লেখা পোনপ্রথমে চুটিকৈ 'Language in Society' নামৰ জার্নেলখনত প্রকাশ পাইছিল। প্রকাশৰ পাছৰে পৰা ই বিপুলভাৱে আলোচিত তথা সমালোচিত হয়। মহিলাসকলে কিয় পুৰুষতকৈ পৃথকভাৱে মনৰ ভাৱ প্রকাশ কৰে, সমাজত পুৰুষ আৰু মহিলাৰ স্থানৰ পৃথকতা আৰু মহিলাৰ ভাষাত তাৰ প্রভাৱ, মহিলাৰ কোমল মানসিকতাৰ আঁৰত সমাজৰ ভূমিকা আদি বিভিন্ন বিষয় লেকফে বহলাই আলোচনা কৰি প্রবন্ধটোক কিতাপ আকাৰে প্রকাশ কৰে। গ্রন্থখন ইমানেই জনপ্রিয় হৈছিল যে প্রকাশৰ পঁচিশ বছৰলৈকে একেৰাহে গ্রন্থখনৰ ন ন সংস্কৰণ প্রকাশ হৈ আছিল। এই গ্রন্থখনে নাৰী-ভাষাক আৰু অধিক সবল ভাৱে প্রতিষ্ঠা কৰিলে।

পৰৱৰ্তী সময়ত পৃথিৱীৰ সর্বত্রে এই বিষয়টোৱে গুৰুত্ব লাভ কৰিলে। বহুকেইগৰাকী বছা বছা পণ্ডিত এই ক্ষেত্রখনত কাম কৰিবলৈ আগবাঢ়ি আহিল। ‘জাপান মহিলা বিশ্ববিদ্যালয়’ৰ ভাষাতত্ত্ব বিভাগৰ অধ্যাপিকা 'Sachiko Ide' এ নাৰী-ভাষাৰ বিষয়ে কেইবাটাও প্রবন্ধ লিখে। তাৰ ভিতৰত ১৯৯০ চনত 'Discourse and Society' নামৰ জার্নেলখনত প্রকাশিত Ide ৰ 'Aspects of Japanese Woman's Language' নামৰ প্রবন্ধটো উল্লেখযোগ্য। ১৯৯৪ চনত 'Women's Language in various parts of the world' নামে এখন গ্রন্থও তেখেতে সম্পাদনা কৰে। তেখেতৰ গৱেষণাই সমাজ ভাষাবিজ্ঞান, প্রসংগার্থবিজ্ঞান আৰু ভাষা-সংস্কৃতিৰ বিভিন্ন দিশ সামৰি

লৈছিল। এই দুগৰাকীৰ উপৰিও 'Carnegie Mellon University' ৰ অধ্যাপিকা 'Barbara Johnstone' ৰ ১৯৯৬ চনত প্ৰকাশ পোৱা 'Linguistic Individual' ত Johnstone এ মহিলা আৰু পুৰুষৰ ভাষাৰ পৰিচয় আৰু সামাজিক স্থানৰ বিষয়ে বহলাই আলোচনা কৰিছে। কৰ্ণেল বিশ্ববিদ্যালয়ৰ অধ্যাপিকা 'Sally Mc Cannell Ginet' লেকফ্ৰ 'Language and Women's Place' প্ৰকাশ হোৱাৰে পৰা Lakoff ৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাষা আৰু লিংগভিত্তিক পাৰ্থক্যৰ বিষয়ে গৱেষণা কৰাৰ লগতে এই বিষয়ত যথেষ্ট লিখা মেলাও কৰে। ২০০৩ চনত প্ৰকাশ পোৱা তেখেতৰ গ্ৰন্থখনৰ নাম হ'ল 'Language and Gender'। ভিক্টোৰিয়া বিশ্ববিদ্যালয়ৰ 'Janet Halmes' নামৰ অধ্যাপক গৰাকীয়েও ভাষা আৰু লিংগভিত্তিক পাৰ্থক্য বিষয়ে আলোচনা কৰিছে। উল্লেখযোগ্য যে, তেখেত 'Royal Society of New Zealand' ৰ এগৰাকী সন্মানীয় সদস্য।

ভাৰতীয় পটভূমিত চাবলৈ গ'লে 'নাৰী-ভাষা'ই বাংলা ভাষাত যথেষ্ট গুৰুত্ব লাভ কৰিছে। উইলিয়াম কেৰীয়ে প্ৰথম বাংলা ভাষাত নাৰী-ভাষাৰ অস্তিত্ব অনুধাৱন কৰে ১৮০১ চনত (বসুদত্ত ৮)। ১৮৭২ চনত সাৰদাচৰণ মিত্ৰই নাৰী-ভাষাৰ বিষয়ে সামান্য আলোচনা দাঙি ধৰে। ইয়াৰ উপৰিও গ্ৰীয়াৰ্ছনে 'Linguistic Survey of India' ত (১৯০৩) বাংলাৰ মান্যৰূপ আৰু নাৰীৰ ভাষাৰূপৰ মাজত ভাষাভেদে দাঙি ধৰিছে—"বাংলায় মান্য উপভাষা এবং মেয়েদের উপভাষা এই ভাষাভেদ দুটি গ্ৰিয়ারসন তাঁর 'Linguistic Servey of India' (১৯০৩)তে দেখিয়েছেন।" (বসুদত্ত ৮)। সুকুমাৰ সেনে 'Women's dialect in Bengali' নামৰ গ্ৰন্থত নাৰী-ভাষাৰ অস্তিত্ব স্বীকাৰ কৰি নাৰী-ভাষাৰ বিচিত্ৰ শব্দভাণ্ডাৰলৈ আঙুলিয়াই দিছে—'Women's vocabulary contains a very large number of intersive words and emphatic particles as well as projorative expletives.' (সেন ২)

এই গ্ৰন্থখনৰ উপৰিও সুকুমাৰ সেনৰ 'বাঙালায় নারীর ভাষা' (জয়ন্তী স্মাৰক পত্ৰিকা, বঙ্গীয় সাহিত্য পৰিষদৰ ৭৫ তম বৰ্ষপূৰ্তি উপলক্ষে প্ৰকাশিত পৰিষদ পত্ৰিকাত প্ৰকাশিত) এই বিষয়ক আন এটা উল্লেখযোগ্য লেখা। প্ৰবন্ধটোত সেনে নাৰীৰ শব্দভাণ্ডাৰ তথা নাৰী-ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিছে। ২০০০ চনৰ জানুৱাৰী মাহত প্ৰকাশিত শৰ্মিলা বসুদত্তৰ 'বাংলায় মেয়েদেৰ ভাষা' গ্ৰন্থখন নাৰী-ভাষাৰ ক্ষেত্ৰখনত আন এক অভিনৱ সংযোজন। নাৰী-ভাষা বিষয়ক নিজস্ব দৃষ্টিভংগী, পৃথকতাৰ কাৰণে আৰু উদাহৰণসহ পৃথকতাসমূহ দাঙি ধৰাত বসুদত্তৰ অৱদান উল্লেখনীয়। আলোচিত ক্ষেত্ৰখনত ৰাজীৱ হুমায়ুনৰ 'মেয়েদেৰ ভাষা'ও আন এখন উল্লেখযোগ্য পুথি।

অসমীয়া ভাষাত নাৰী-ভাষা বা স্ত্ৰী ভাষাৰ গৱেষণা যথেষ্ট সীমিত। বিভিন্ন আলোচনীত এই বিষয় সম্বন্ধীয় দুই এটা প্ৰবন্ধ প্ৰকাশ হৈছে। উদাহৰণস্বৰূপে— শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৮৫ সংখ্যক বাৰ্ষিক অধিবেশনত প্ৰকাশিত স্মৃতি গ্ৰন্থ 'শিৱসাগৰ দৰ্পণ'ত শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষা যমুনা বৰগোঁহাইৰ দ্বাৰা লিখিত এটি প্ৰবন্ধ 'শিৱসাগৰ জিলাৰ মাত-কথা'ত নাৰী-ভাষা বিষয়ক কিছু তথ্য পোৱা যায়। বৰ্তমানলৈকে অসমীয়া ভাষাত নাৰী-ভাষা বিষয়ক কোনো গ্ৰন্থ প্ৰকাশিত হোৱা নাই। অদূৰ ভৱিষ্যতে এই বিষয়টোৱে অসমৰ বিদ্বৎ মহলত গুৰুত্ব লাভ কৰিব বুলি আশা কৰিব পৰা যায়।

**৩.০২ নাৰী-ভাষাৰ সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিকোণ ঃ**

নাৰী আৰু পুৰুষ উভয়ৰে প্ৰথম পৰিচয় মানুহ হিচাপে। জন্মৰ পিছৰে পৰা সমাজৰ নীতি-নিয়ম আৰু সংস্কাৰসমূহৰ প্ৰভাৱতহে পুৰুষ আৰু নাৰীৰ পৃথক মানসিকতা গঢ় লৈ উঠে। অৱশ্যে শৰীৰ বৃত্তীয় কাৰণত পুৰুষ মহিলাতকৈ কিছুমান বিষয়ত অধিক সক্ষম। নাৰী আৰু পুৰুষে মিলি সন্তান জন্ম দিয়ে যদিও নাৰীয়ে গৰ্ভত সন্তান ধাৰণ কৰে। ই এটা প্ৰাকৃতিক সত্য। কিন্তু, এই প্ৰাকৃতিক ঘটনাৰ আপাহতে সমাজে নাৰী আৰু পুৰুষৰ অধিকাৰত পাৰ্থক্যৰ সৃষ্টি কৰে।

সমাজত নাৰী আৰু পুৰুষৰ এই ব্যৱধান দীৰ্ঘদিনীয়া। এই ব্যৱস্থা ভাৰতীয় সমাজত প্ৰযোজ্য হোৱাৰ সমান্তৰালভাৱে পাশ্চাত্যৰ সমাজেও অস্বীকাৰ নকৰে। আধুনিক শিক্ষা তথা সম অধিকাৰৰ ধাৰণাই এই ব্যৱস্থাৰ পৰিবৰ্তন সাধিছে যদিও সমাজৰ কিছুসংখ্যক ৰক্ষণশীল লোকৰ চিন্তাধাৰাক সলনি কৰিব পৰা নাই।

ড° সুকুমাৰ সেন, ৰবিন লেকফ্ আদি সকলৰ মতে, সমাজে নাৰী আৰু পুৰুষৰ মাজত সৃষ্টি কৰা এনে বিভেদকামী মনোভাৱৰ মাজতেই নাৰী-ভাষা সৃষ্টিৰ মূল বীজ ৰোপিত হৈ আছে। সমাজ য'ত বেছি ৰক্ষণশীল আৰু প্ৰগতিবাদী নহয় তাতেই পুৰুষতকৈ নাৰী-ভাষাৰ পৃথকতা বৃদ্ধি পায়।

সময়ৰ লগে লগে সমাজত নাৰী-ভাষা আৰু পুৰুষৰ ভাষাৰ পাৰ্থক্য কমি গ'লেও সকলো শিশুৰ মনতেই বুজন হোৱাৰে পৰা পুৰুষ আৰু নাৰীৰ ভাষা সম্পৰ্কে এটা আদৰ্শ বা ধাৰণা সৃষ্টি হয়। উদাহৰণস্বৰূপে—সৰু ছোৱালী এজনীয়ে কৰ্কশ মাতেৰে কাৰোবাৰ লগত কাজিয়া কৰিলে মাকে লগে লগে গালি পাৰে। দুনাই তেনে নকৰিবলৈ বুজনি দিয়ে। আনহাতে, কোনো সৰু ল'ৰাই যদি লাৱণ্যময়ী বাক্-ভংগীমাৰে কথা কয় তেন্তে সি সমাজত হাঁহিয়াতৰ পাত্ৰ হয়। গতিকে দেখা যায়

সমাজৰ লোকসকলে এই চিন্তা-ধাৰাৰ পৰা মুক্ত হ'ব পৰা নাই।

সমাজ ভাষা-বৈজ্ঞানিকসকলে সমাজত ভাষাৰ প্ৰয়োগত পৰিলক্ষিত হোৱা বিভিন্নতাবোৰ উদঘাটন কৰে। প্ৰত্যেক সমাজতে ভাষা ব্যৱহাৰৰ কিছুমান ধৰা বন্ধা নিয়ম থাকে। সকলো মানুহেই নিজৰ অজানিতে এই নিয়মসমূহৰ প্ৰতি সদা সচেতন হৈ থাকে। এই নিয়ম সমূহৰ সমাজ অনুসৰি যি বিভিন্ন ৰূপ সেই বিষয়েও সমাজ ভাষা-বিজ্ঞানত আলোচনা কৰা হয়।

সেই অনুসৰি ভালদৰে লক্ষ্য কৰিলে দেখা যায় সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলৰ মাজত বিভিন্ন ভাষিক পাৰ্থক্য বিৰাজ কৰে। বয়স, জীৱিকা, জীতি-জনগোষ্ঠী, ধৰ্ম, শিক্ষা, আৰ্থিক অৱস্থা, জীৱন-যাপনৰ ধৰণ আদি বিভিন্নতাই নাৰীৰ ভাষাক প্ৰভাৱিত কৰে। একেখন সমাজতে বাস কৰাৰ পাছতো নাৰীসকলৰ ভাষাৰ যি সুকীয়া সুকীয়া বৈশিষ্ট্য তাৰ অধ্যয়ন মূলতঃ সমাজ ভাষাবিজ্ঞানে দাঙি ধৰে।

আধুনিক পৃথিৱীত সম অধিকাৰৰ ধাৰণাই নাৰী পুৰুষৰ মাজৰ বেৰখন সংকুচিত কৰিলে। নৱ প্ৰজন্মৰ নাৰীৰ মনত নাৰী আৰু পুৰুষৰ কৰ্ম, চিন্তা-ভাৱনা আদিৰ কোনো পাৰ্থক্য নাই। কিন্তু, তুলনামূলকভাৱে পুৰণি ৰক্ষণশীল বয়সীয়াল নাৰীসকলৰ মাজত বৰ্তমানেও নাৰী আৰু পুৰুষ সকলো সকলো ক্ষেত্ৰতে দুটা পৃথক শ্ৰেণী। বয়সৰ তাৰতম্যই সৃষ্টি কৰা এনে মানসিকতাৰ পাৰ্থক্যই নাৰী-ভাষাক প্ৰভাৱান্বিত কৰে। পুৰণি চামৰ মনত স্থিতি লোৱা এনে ধাৰণাৰ ফলত তেওঁলোকে পুৰুষতকৈ নিজকে হীন অনুভৱ কৰে। নাৰী সমাজৰ গোপন কথা পুৰুষৰ সন্মুখত উচ্চাৰণ কৰাটো তেওঁলোকৰ বাবে অতি লজ্জাজনক কথা। আনহাতে, নৱ প্ৰজন্মৰ নাৰীয়ে আজিৰ তাৰিখত সমজুৱাভাৱে মাহেকীয়া হোৱা বা গৰ্ভধাৰণ কৰাৰ কথা খোলাকৈ ব্যক্ত কৰিব পাৰে। আধুনিক মানসিকতাত এইবোৰ মাত্ৰ প্ৰকৃতিৰ নিয়ম। ইয়াত লজ্জিত হ'ব লগা কোনো কাৰণেই থাকিব নোৱাৰে। যিমানেই সময় আগবাঢ়িছে সিমানেই নাৰী-ভাষাৰ বিশিষ্টতা তথা সমলৰ পৰিমাণ কমি আহিছে। বৰ্তমান প্ৰজন্মৰ মাজত পুৰুষ আৰু নাৰীৰ ভাষাৰ মাজত খুব কমেইহে পাৰ্থক্য পৰিলক্ষিত হয়। গাঁও অঞ্চলত অৱশ্যে বৰ্তমানেও নাৰী-ভাষাৰ বিভিন্ন শব্দ বা শব্দাংশ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ খুব স্বাভাৱিকভাৱেই পৰিবাহিত হোৱা দেখা যায়। বিশেষকৈ গ্ৰাম্যাঞ্চলৰ অশিক্ষিত পুৰণি প্ৰজন্মৰ মাজত নাৰী-ভাষাৰ প্ৰকৃত সমল বা ৰূপ উপলব্ধ হয়।

পুৰণি সময়ত নাৰীসকল ঘৰৰ চাৰিবেৰৰ মাজতেই আবদ্ধ হৈ আছিল। সমাজ বুলিবলৈ মাথোন ঘৰৰ বা ওচৰ-পাজৰৰ আন নাৰীসকলৰ সংগহে লাভ কৰিছিল। অৱশ্যে অসমীয়া সমাজ

আগৰে পৰা তুলনামূলকভাৱে ভাৰতৰ আন আন প্ৰান্তৰ সমাজতকৈ এইক্ষেত্ৰত কিছু নৰম। পূৰ্বৰে পৰা অসমীয়া সমাজত সাধাৰণ ঘৰৰ জীয়ৰীয়ে বিহুৰ সময়ত বিহু নাচিবলৈ বা জেং বিহু গাই আনন্দ লাভ কৰিবলৈ সুবিধা পাইছিল। কিন্তু, সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী-বোৱাৰীয়ে অতি সাৱধানে আঁৰ-বেৰৰ মাজত চলা-ফিৰা কৰাটোৱে ৰীতি আছিল। কেৱল ঘৰৰ কাম, ৰান্ধনী ঘৰৰ কাম, ল'ৰা-ছোৱালীৰ প্ৰতিপালন, পথাৰৰ কাম, তাঁত বোৱা আদিতে ব্যস্ত থকাৰ ফলত পুৰুষ প্ৰধান সমাজখনত নাৰীসকলে খুব কমেইহে আত্মপ্ৰকাশৰ সুবিধা পাইছিল। পুৰুষৰ সমাজখনৰ পৰা আঁতৰত বাস কৰাৰ ফলত নাৰীসকলৰ নিজৰ মাজতে কথা কোৱা নিজস্ব ভংগীৰ সৃষ্টি হৈছিল। কিছুমান সুকীয়া শব্দ বা শব্দাংশ, কোৱাৰ বিশিষ্ট ধৰণ, নিষিদ্ধ শব্দ, সাংকেতিক শব্দ, আৱেগ প্ৰকাশক শব্দ, গোপন শব্দ, গালি-শপনি সূচক শব্দ আদিয়ে এই সুকীয়া ভংগী গঢ় লৈ উঠাত সহায় কৰিছিল। প্ৰকৃততে এইবোৰেই হ'ল নাৰী-ভাষাৰ বিশিষ্ট সমল। কিন্তু, বৰ্তমান সময়ত নাৰীয়ে পুৰুষৰ সৈতে খোজত খোজ মিলাই আগবাঢ়িছে। পুৰুষৰ প্ৰায় সকলোবোৰ জীৱিকাই মহিলাই গ্ৰহণ কৰিছে। শিক্ষকতাৰ পৰা আৰম্ভ কৰি পৰ্বত আৰোহনকাৰী মহিলালৈকে সকলো বৰ্তমান নিজ নিজ কৰ্মক্ষেত্ৰত দক্ষ। বৰ্তমান মহিলাসকলে স্বাৱলম্বীতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়ে। বিভিন্ন জীৱিকা গ্ৰহণ কৰাৰ উপৰিও আজিকালি একাংশ মহিলাই লগ হৈ আত্মসহায়ক গোট খুলি স্বাৱলম্বী হোৱাৰ লগতে নিজৰ মাজতে এখন সমাজো সৃষ্টি কৰি লৈছে। জীৱিকা তথা মহিলাৰ প্ৰতি সমাজৰ দৃষ্টিভংগী সলনি হ'লেও মহিলাসকলৰ মানসিকতাৰ অভ্যন্তৰণত কোনোবাখিনিত বৰ্তমানেও পুৰুষতকৈ মহিলাসকল অধিক নমনীয় আৰু আৱেগিক। যাৰ ফলত ভাষাৰ ব্যৱহাৰত নাৰীসকল পুৰুষতকৈ পৃথক হয়। সেয়েহে, ক'ব পাৰি যে পুৰুষৰ সৈতে একে জীৱিকা গ্ৰহণ কৰিলেও মহিলাসকলৰ ভাষাৰ ব্যৱহাৰত (যাক আমি নাৰী-ভাষা হিচাপে অভিহিত কৰিছো) এক স্বকীয় ৰীতি পৰিলক্ষিত হয়।

প্ৰত্যেক জাতি-জনগোষ্ঠীৰ নিজস্বতা থাকে। সেয়া সাংস্কৃতিক ক্ষেত্ৰতে হওঁক বা সামাজিক ক্ষেত্ৰতে হওঁক, এনে নিজস্বতাই জাতি বা জনগোষ্ঠীটোৰ পৰিচয় বহন কৰে। প্ৰত্যেক জাতি অনুসৰি মহিলাৰ স্থানো বেলেগ বেলেগ হয়। অসমীয়া সমাজ পুৰুষ প্ৰধান, আনহাতে খাচীসকলৰ সমাজ মহিলা প্ৰধান। আকৌ কিছুমান জাতিয়ে নাৰীক উচ্চ মৰ্যাদা দিয়াৰ বিপৰীতে আন কিছুমান জাতিয়ে নাৰীক উচ্চ মৰ্যাদা দিয়াৰ পোষকতা নকৰে। এনে পৃথকতাসমূহে নাৰী-ভাষাক বাৰুকৈয়ে প্ৰভাৱিত কৰে। সমাজ অনুসাৰে মহিলা কেন্দ্ৰিক উৎসৱ, অনুষ্ঠান, ৰীতি-নীতি আদিও বেলেগ বেলেগ হয়। যাৰ ফলত ওচৰা-ওচৰিকৈ বাস কৰাৰ পাছতো বেলেগ বেলেগ জাতিৰ মহিলাসকলৰ মাজত একে

অৰ্থ বুজাবলৈ বেলেগ বেলেগ শব্দ প্ৰচলন হৈ থকা পৰিলক্ষিত হয়। জাতি অনুসৰি নাৰীসকলৰ মাজত প্ৰচলিত উৎসৱ-অনুষ্ঠানত ব্যৱহৃত গীত-মাতবোৰতো বহুতো নাৰী-ভাষাৰ সুকীয়া শব্দ লুকাই থাকে। আত্মীয়তাসূচক শব্দ, সাংকেতিক শব্দ, নিষিদ্ধ শব্দ আৰু গোপন শব্দ আদিয়ে জাতিভিত্তিক নাৰী-ভাষাৰ পৃথকতা ৰক্ষা কৰে।

ধৰ্ম অনুসৰিও নাৰী-ভাষাত পৃথকতা দেখা যায়। প্ৰত্যেক ধৰ্মৰ আদৰ্শ, উপাসনাৰ নিয়ম, ৰীতি-নীতি অনুসৰি সেই ধৰ্মৰ সমাজখন আন ধৰ্মৰ সমাজতকৈ পৃথক হয়। ইছলাম ধৰ্মৰ মহিলাসকল মছজিদলৈ যোৱাটো নিষিদ্ধ। এই ধৰ্মৰ ৰক্ষণশীল মহিলাসকলে বৰ্তমানেও বোৰ্খা পিন্ধে। আনহাতে, হিন্দু ধৰ্মত মহিলাক দেৱী হিচাপে মন্দিৰত স্থাপন কৰি উপাসনা কৰা হয়। অৰ্থাৎ ইছলাম ধৰ্মতকৈ হিন্দু ধৰ্মত মহিলাৰ স্থান উচ্চ। এনে পাৰ্থক্যই নাৰী-ভাষাক বিস্তাৰিতভাৱে প্ৰভাৱিত কৰে। আকৌ বৈষ্ণৱ সত্ৰসমূহত ডাঙৰ-দীঘল হোৱা মহিলাৰ ভাষা যথেষ্ট সৌজন্যমূলক হোৱা পৰিলক্ষিত হয়। তেওঁলোকৰ মাত-কথা আচাৰ-ব্যৱহাৰ সকলোতে ধাৰ্মিক ভাৱ ফুটি উঠে। বৈষ্ণৱ ধৰ্মত শংকৰদেৱে নাৰী আৰু পুৰুষক সম অধিকাৰ দিছিল। যাৰ ফলত অসমীয়া মহিলাসকলে পুৰুষৰ সৈতে সমানে ধাৰ্মিক কাৰ্যত অংশগ্ৰহণ কৰিব পাৰিছিল। ফলত তেওঁলোকে আগতকৈ সবল অনুভৱ কৰাৰ লগতে আত্মপ্ৰকাশৰ সুবিধাও লাভ কৰিছিল। যাৰ প্ৰভাৱ নিশ্চিতভাৱে নাৰী-ভাষাতো পৰিছিল। এই দৃষ্টিভংগীৰে মন কৰিলে দেখা যায় যে, ধৰ্ম নাৰী-ভাষাৰ পৃথকতা সৃষ্টিৰ এক সবল কাৰক।

নাৰী-ভাষাক আটাইতকৈ বেছি প্ৰভাৱিত কৰা কাৰকটোৱে হৈছে শিক্ষা। যিমানেই মহিলাসকল শিক্ষিত হৈছে সিমানেই নাৰী-পুৰুষৰ ভাষাৰ পাৰ্থক্য নোহোৱা হৈ আহিছে। অশিক্ষিত মহিলাসকলৰ কথিত ভাষাতহে নাৰী-ভাষাৰ অস্তিত্ব স্পষ্ট ৰূপত পোৱা যায়। শিক্ষাৰ পোহৰে আলোকিত কৰা আধুনিক পৃথিৱীখনৰ নতুন ৰীতি-নীতিত শিক্ষিত মহিলাসকল অভ্যস্ত হৈ পৰিছে। নাৰী-ভাষাত ব্যৱহাৰ হোৱা অতিৰিক্ত আৱেগ প্ৰকাশক শব্দ আজিৰ শিক্ষিত নাৰীৰ মুখত কমেইহে শুনা যায়। এনেদৰেই শিক্ষিত আৰু অশিক্ষিত এই দুই শ্ৰেণীৰ মাজত নাৰী-ভাষাৰ পাৰ্থক্য স্পষ্টৰূপত অনুভূত হয়। যদিও শিক্ষিত মহিলাসকলৰ মাজত নাৰী-ভাষাৰ সমলসমূহ অপ্ৰচলিত হৈ পৰিছে তথাপি একেবাৰে নোহোৱা হৈ যোৱা বুলিব নোৱাৰি। নাৰী মনৰ কোমলতা আৰু শ্ৰুতিমাধুৰ্য গুণৰ প্ৰভাৱ শিক্ষিত নাৰীৰ ভাষাত বৰ্তমানেও পৰিলক্ষিত হয়।

ধনী-দুখীয়া মহিলাৰ মাজতো ভাষাৰ পাৰ্থক্য অনুভূত হয়। ধনী বা সম্ভ্ৰান্ত ঘৰৰ নাৰীৰ ভাষা দুখীয়া শ্ৰেণীৰ নাৰীৰ সৈতে নিমিলে। একে ধৰ্ম, জাতিৰ হ'লেও আৰ্থিক অৱস্থাই নাৰী-ভাষাত

ক্ৰিয়া কৰে। ইয়াৰ উদাহৰণ অসমীয়া সাহিত্যৰ বহু গল্প, উপন্যাসত পোৱা যায়। উদাহৰণস্বৰূপে— অৰূপা পটঙ্গীয়া কলিতাৰ 'অয়নান্ত' উপন্যাসৰ দুটা নাৰী চৰিত্ৰৰ নমুনা দাঙি ধৰা হ'ল—

ভাৰ্গৱৰ মাক—"এইখন ঘৰলৈ কুকুৰ এটাও নাহে। আহি আপোনালোকৰ এই দশা হ'ল।" (কলিতা,৫৬)

বৰুৱানী—"হ'ব আইহ্লু হ'বহ্লু তেখেতে ৰাইজৰ কাৰণে কৰিছে, ৰাইজেই তোমালোকক চাব। নিজৰ দেহৰ যতন ল'বা।"

বাক্য দুটাৰ প্ৰথমটোত দুখীয়া এগৰাকী মহিলাৰ ব্যথিত মনোভাৱ প্ৰকাশ হোৱাৰ বিপৰীতে দ্বিতীয় বাক্যত আভিজাত্য সম্পন্ন ঘৰ এখনৰ মূল মানুহ এগৰাকীৰ আশ্বাসমূলক বাণী প্ৰকাশ পাইছে। দুগৰাকী মহিলাৰ মাজত হোৱা এই কথোপকথনত স্বকীয় কথ্যভংগী প্ৰকাশ পাইছে।

## প্ৰসংগসূচী ঃ

১। Lakoff, Robin : Language and Woman's Place, 1975, p.7

২। Jespersen, Otto ঃ Language its Nature Origine and devolopment,1922, p.233

৩। বসুদত্ত, শৰ্মিলা ঃ বাংলায় মেয়েদের ভাষা, ১৯৭৫, পৃ.৮

৪। সেন,সুকুমাৰ ঃ Woman's Dialact in Bengali, 1979, p.2

৫। বসুদত্ত, শৰ্মিলা ঃ বাংলায় মেয়েদের ভাষা, ১৯৭৫, পৃ.৮

৬। কলিতা, অৰূপা পটঙ্গীয়া ঃ অয়নান্ত, ১৯৯৪, পৃ. ৫৬